চাহিদা সমান হ'ব।

চিত্ৰ 3.D ত উলম্ব Ms ৰেখাই মুদ্ৰাৰ যোগান প্ৰতিনিধিত্ব কৰিছে আৰু আয় পৰিবৰ্তনৰ ক্ষেত্ৰত সম্পূৰ্ণ অস্থিতিস্থাপক। ভাৰসাম্য আয়স্তৰ হ'ল Yo, য'ত মুদ্ৰাৰ চাহিদা আৰু যোগান সমান (Md =Ms)। যদি মুদ্ৰাৰ যোগান (Ms) ৰেখা সোঁফালে ($Ms_1$) লৈ স্থানান্তৰ হয় আৰু আয়স্তৰ $Y_1$ লৈ বৃদ্ধি হয় (Ms > Md) আৰু ব্যয় তেতিয়ালৈকে বৃদ্ধি পাব যেতিয়ালৈকে উচ্চ আয়স্তৰ ($Y_1$)ত মুদ্ৰাৰ যোগান আৰু চাহিদা সমান নহয়।





Fig. 3.D

4. **আধুনিক মুদ্ৰাৰ পৰিমাণ তত্ত্বৰ তাৎপৰ্য** (Significance of Modern quantity theory of money)ঃ

(i) **ব্যৱহাৰিক প্ৰকল্প** (empirical hypothesis)ঃ মুদ্ৰাৰ পৰিমাণ তত্ত্ববিদ সকলে ফ্ৰিড্‌মেনৰ ব্যৱহাৰিক প্ৰকল্প সমৰ্থন কৰি কয় যে, মুদ্ৰাৰ চাহিদা বিষয়টো ভোগ কাৰ্য্য আদিৰ দৰে বিষয়বোৰতকৈ অধিক স্থিৰ। ফ্ৰিড্‌মেনৰ মতে, স্থিৰ কাৰ্য্যই স্থিৰ গতিবেগক নুবুজায়। অৰ্থাৎ, এই ক্ষেত্ৰত মূল্য নিৰ্দ্ধাৰণকাৰী সূচক সমূহহে স্থিৰে থাকে। গতিকে মুদ্ৰাস্ফীতিৰ সময়ত ইয়াৰ গতিবেগ বৃদ্ধিয়ে ক্ৰিয়াত্মক স্থিৰতাৰ সৈতে সংগতি ৰাখে।

(ii) **দৰস্তৰৰ মূখ্য ভূমিকা** (Key role price level)ঃ মৌদ্ৰিক তত্ত্ববিদ সকলে মুদ্ৰাৰ চাহিদা কাৰ্য্যত দৰস্তৰক একমাত্ৰ আটাইতকৈ গুৰুত্বপূৰ্ণ সূচক হিচাপে গণ্য কৰে। দৰস্তৰে মুদ্ৰা আৰু মুদ্ৰাস্ফৃতিৰ মাজত যোগাসূত্ৰ স্থাপন কৰি বিশ্লেষণত সহায় কৰে। দৰস্তৰ আৰু মুদ্ৰাৰ মূল্যৰ পাৰস্পৰিক (reciprocal) সম্পৰ্কই মুদ্ৰাৰ যোগান আৰু চাহিদাৰ মাজত সমতা স্থাপনত গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰে।

(iii) **আয়ৰ গতিবেগ পৰিবৰ্তনৰ বিশ্লেষণ** (Explanation of changes in income velocity)ঃ ফ্ৰিড্‌মেনৰ মতে, আয়ৰ গতিবেগৰ চাক্ৰিক গতিশীলতাত স্থায়ী আয়ৰ তুলনাত বৰ্তমানৰ আয়ৰ চাক্ৰিক গতিশীলতাই প্ৰভাৱ পেলায়। কিন্তু কেইনছে উল্লেখ কৰাৰ দৰে সুদৰ হাৰৰ গতিশীলতাৰ ফলত নহয়। সমৃদ্ধিৰ সময়ত মুদ্ৰাৰ চাহিদা স্থায়ী আয়ৰ আনুপাতিক হাৰত বৃদ্ধি হয়। কিন্তু বৰ্তমানৰ আয়ৰ হাৰতকৈ কম আনুপাতিক হাৰত বৃদ্ধি হয়। কাৰণ, ব্যৱসায় সম্প্ৰসাৰণত স্থায়ী আয়, বৰ্তমানৰ আয়তকৈ কম বৃদ্ধি হয়। ইয়াৰ অৰ্থ হ'ল, সমৃদ্ধিৰ সময়ত আয়ৰ গতিবেগ বৃদ্ধি হয়, কাৰণ আয়ৰ গতিবেগ এক বৰ্তমান সময়ৰ ধাৰণা। একেদৰে মন্দৱস্থাৰ সময়ত স্থায়ী আয় আৰু মুদ্ৰাৰ চাহিদা পৰস্পৰে আনুপাতিক হাৰত হ্ৰাস পায়; কিন্তু বৰ্তমানৰ আয় আৰু আয়ৰ গতিবেগ কমাতকৈ কম অনুপাতত হ্ৰাস পায়।

(iv) **প্ৰত্যাশিত মুদ্ৰাস্ফীতিৰ গুৰুত্ব** (Importance of expected inflation)ঃ ক্ৰমবৰ্দ্ধমান মুদ্ৰাস্ফীতিৰ ক্ষেত্ৰত মুদ্ৰাৰ চাহিদাৰ ওপৰত প্ৰভাৱ পেলোৱা অন্য এক গুৰুত্বপূৰ্ণ সূচক হ'ল প্ৰত্যাশিত মুদ্ৰাস্ফীতিৰ হাৰ। ফ্ৰিড্‌মেনৰ নেতৃত্বত মুদ্ৰাতত্ত্ববিদ সকলে মুদ্ৰাৰ চাহিদাৰ ওপৰত প্ৰত্যাশিত মুদ্ৰাস্ফীতি, অতি মুদ্ৰাস্ফীতি (hyper inflation) আৰু মুদ্ৰা ব্যৱস্থাৰ স্থিৰতা সম্পৰ্কে বিশ্লেষণ আগবঢ়াইছে।

(v) **মুদ্ৰা চাহিদাৰ নিম্ন সুদ স্থিতিস্থাপকতা** (Low interest elasticity of demand for money) ঃ ফ্ৰিড্‌মেন আৰু মুদ্ৰাতত্ববিদ সকলে উল্লেখ কৰে যে, মুদ্ৰাৰ চাহিদাৰ ওপৰত সুদৰ হাৰে অতি কম প্ৰভাৱ পেলায়।

(vi) **মৌদ্ৰিক নীতিৰ ভূমিকা** (Role of monetary policy) ঃ সাম্প্ৰতিক সময়ত মুদ্ৰাতত্ববিদ আৰু কেইনছীয় আৰ্থিক চিন্তাৰ বিতৰ্কৰ কেন্দ্ৰবিন্দু হ'ল, মৌদ্ৰিক আৰু ৰাজকোষীয় নীতিৰ জৰিয়তে সামগ্ৰীক চাহিদাৰ পৰিবৰ্তনৰ প্ৰশ্নত। মুদ্ৰাতত্ববিদ সকলৰ মতে মুদ্ৰাৰ চাহিদা স্থিৰে থকা অৱস্থাত, মুদ্ৰা কৰ্তৃপক্ষই মুদ্ৰাৰ যোগান নিয়ন্ত্ৰণৰ জৰিয়তে সামগ্ৰিক ব্যয় নিয়ন্ত্ৰণ কৰিব পাৰে। ইয়াৰ বিপৰীতে কেইনছীয় সমৰ্থক সকলে উল্লেখ কৰে যে, কেৱল ৰাজকোষীয় নীতিৰ সহায়ত সামগ্ৰিক চাহিদা পৰিবৰ্তন কৰি আয়স্তৰ পৰিবৰ্তন কৰিব পাৰি। মুদ্ৰাতত্ববিদ সকলে মুদ্ৰাৰ চাহিদাৰ ক্ষেত্ৰত সুদ অস্থিতিস্থাপকতা যুক্তি আগবঢ়াইছে। আনহাতে, বিনিয়োগ কাৰ্য্যৰ ক্ষেত্ৰত কেইনছীয় গোষ্ঠীয়ে আতি নিম্ন সুদ স্থিতিস্থাপকতা ধাৰণা ধৰি লৈছে।

(vii) **মুদ্ৰাৰ যোগানৰ ওপৰত প্ৰভাৱ পেলোৱা উপাদান সমূহ** (Factors affecting on supply of money) ঃ মুদ্ৰাৰ পৰিমাণ তত্ববিদ সকলে উল্লেখ কৰে যে, বিভিন্ন গুৰুত্বপূৰ্ণ উপাদানে মুদ্ৰাৰ যোগানৰ ওপৰত প্ৰভাৱ পেলায়; কিন্তু সেই উপাদান সমূহে মুদ্ৰাৰ চাহিদাৰ ওপৰত প্ৰভাৱ নেপেলায়। ব্যৱসায়িক আৱশ্যকতা অনুসৰি মুদ্ৰাৰ যোগান সম্প্ৰসাৰণ আৰু সংকুচিত হোৱা বিষয়টো পৰিমাণ তত্ববিদ সকলে নাকচ কৰিছে।

5. **সমালোচনা** (Criticisms)

(i) **মুদ্ৰাৰ বিস্তৃত সংজ্ঞা** (Wide definition of money) ঃ ফ্ৰিড্‌মেনৰ মুদ্ৰাৰ পৰিমাণ তত্ব পুনঃব্যাখ্যা প্ৰক্ৰিয়াত মুদ্ৰাৰ সংজ্ঞা অতি ব্যাপক হোৱা হেতুকে তীব্ৰভাৱে সমালোচনা কৰা হৈছে। তেওঁ প্ৰচলিত মুদ্ৰা, চলিত জমা আৰু স্থায়ী জমাক মুদ্ৰাৰ অন্তৰ্ভূক্ত কৰিছে। এনে সংজ্ঞাই এইটো প্ৰতিপন্ন কৰে যে, মুদ্ৰা চাহিদাৰ সুদ স্থিতিস্থাপকতা অতি নগণ্য। এনে সিদ্ধান্তৰ বাস্তৱৰ সৈতে কোনো সংগতি নাই।

(ii) **মুদ্ৰাৰ চাহিদা আৰু সুদৰ হাৰৰ মাজৰ সম্পৰ্ক দুৰ্বল** (Weak relationship between money demand and rate of interest) ঃ ফ্ৰিড্‌মেনে যদিও সৰ্বমুঠ সম্পদ আৰু মুদ্ৰাৰ মজুত(Stock) ৰ মাজৰ সম্পৰ্কৰ ওপৰত অত্যধিক গুৰুত্ব আৰোপ কৰিছে তথাপি মুদ্ৰাৰ ব্যৱহাৰিক চাহিদাৰ ক্ষেত্ৰত সুদৰ হাৰ যে এক উল্লেখযোগ্য নিৰ্দ্ধাৰক সেই কথা বিবেচনা কৰা নাই। মদিলিয়াণি (Modigliani) আৰু লেটেন (Latane) পৰামৰ্শ আগবঢ়াই যে, মুদ্ৰাৰ চাহিদা আৰু সুদৰ হাৰৰ মাজত এক শক্তিশালী সহ-সম্পৰ্ক (Co-relation) আছে। কিন্তু, ফ্ৰিড্‌মেনে এই দুয়োটাৰ মাজত এক দুৰ্বল সম্পৰ্ক উল্লেখ কৰিছে।

(iii) **আংশিক ভাৰসাম্য বিশ্লেষণ** (Partial equilibrium analysis) ঃ ফ্ৰিড্‌মেনৰ বিশ্লেষণে অৰ্থব্যৱস্থাৰ কেৱল মৌদ্ৰিক খণ্ড (Monetary sector) ৰ বিষয়ে বিবেচনা কৰিছে। গতিকে ই এক আংশিক ভাৰসাম্য তত্ব আৰু ই সাধাৰণ ভাৰসাম্য (general equilibrium) বিশ্লেষণত প্ৰযোজ্য নহয়।

(iv) **অনা বিত্তীয় প্ৰতিষ্ঠানক আওকাণ** (Neglect of non-banking financial institutions) ঃ ফ্ৰিড্‌মেনৰ তত্বৰ এক গুৰুত্বপূৰ্ণ ক্ৰটি হ'ল, এই তত্বই মুদ্ৰাৰ চাহিদাৰ ওপৰত অনা-বিত্তীয় প্ৰতিষ্ঠান (NBFI)ৰ প্ৰভাৱক আওকাণ কৰিছে।

(v) **প্ৰত্যাশিত দৰ আওকাণ** (Neglect of price expectation) ঃ ফ্ৰিড্‌মেনে মুদ্ৰাৰ চাহিদাৰ ওপৰত প্ৰত্যাশিত